RNI REGN. No. : ASSASS/2019/7
epaper.asomaditya.com
Portal : www.asomaditya.co
e-mail : asomaditya@gmail.

ৰ বাণী

য়ো কষ্ট সহি
কিবলৈ বেছি
প্ৰয়োজন।
্যালিয়ন বোনাপাৰ্ট

# অসম আদিত্য

স্বাস্থ্য

হালধিয়ে ছালৰ সমস্যা সমাধান ক
কেঁচা হালধিৰ ৰস খালে বা সানি
চৰ্মৰ উজ্জ্বলতা বাঢ়ে। লগতে
শালমইনাৰ দাগ নোহোৱা হয়

সংখ্যা ৯০ ■ ২১ চ'ত, ১৯৪৬ শক ■ শুকুৰবাৰ, ৪ এপ্ৰিল, ২০২৫ ■ Asom Aditya, Dibrugarh, Friday, April 4, 2025 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা প্ৰকাশিত ■ ডিব্ৰুগড় সং

## বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাব, সাহিত্য সভাৰ আখৰা শিবিৰত ড° শশীকান্ত শইকীয়া

# বিহু কেৱল উৎসৱ নহয়, অসমীয়া সংস্কৃতিৰ প্ৰাণ

**ষ্টাফ ৰিপৰ্টাৰ, ৩ এপ্ৰিল ঃ**অসমৰ, অসমীয়াৰ বাপতি সাহোন বিহু কেৱল এক উৎসৱ নহয়, ই অসমীয়া জাতিৰ সংস্কৃতিৰ প্ৰাণ। ই অসমীয়াৰ জনজীৱনৰ স'তে জড়িত হৈ থকা কৃষিৰ ছন্দ আৰু সমাজৰ একতাৰ প্ৰতীক। ঐতিহাসিক ডিব্ৰুগড় সাহিত্য সভা, বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ (জিডিপিচি) যৌথ উদ্যোগত আৰু নৃত্যাংগন কলা কেন্দ্ৰ, মূৰ্চনা সংগীত বিদ্যালয়ৰ সহযোগত অনুষ্ঠিত বিহু আখৰা শিবিৰ বন্তি প্ৰজ্বলনেৰে উদ্বোধন কৰি কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই আজি এইদৰে কয়। ডিব্ৰুগড় সাহিত্য সভাৰ প্ৰেক্ষাগৃহত আজিৰে পৰা ছয় দিন ধৰি অনুষ্ঠিত হ'বলগীয়া এই বিহুৰ আখৰা শিবিৰত তেওঁ কয় যে বিহুৱে অসমীয়া জাতীয় জীৱনৰ এক বাৰ্তা কঢ়িয়াই আনিছে। কৰ্মশালাৰ যোগেদি নতুন প্ৰজন্মক বিহুনৃত্য শৈলী, ঢোল, পেঁপা, তালৰ বাদ্য আৰু গীতৰ সুৰ শিকোৱা হ'ব। ইয়াৰ জৰিয়তে নতুন প্ৰজন্মই বিহুক জনা আৰু বুজাত সহায় কৰিব বুলি উল্লেখ কৰি তেওঁ কয়— এনে মাধ্যমে অসমীয়া জাতীয় জীৱনৰ কৃষি, প্ৰেম আৰু সমাজৰ প্ৰাণবন্ত ছবি ফুটাই তোলাত সহায় কৰিব। সাংস্কৃতিক সংৰক্ষণ, সামজিক ঐক্য, যুৱ শক্তিক প্ৰেৰণা যোগোৱা এনে কৰ্মশালাই বিহুৰ গৌৰৱ উজলাই তোলাত সহায় কৰিব। তেওঁ কয়— গোলকীকৰণ, প্ৰযুক্তিৰ এই যুগত অসমীয়া পৰম্পৰাগত বিহুক জীয়াই ৰাখিবলৈকে উঠি অহা প্ৰজন্মক অসমীয়া ভাষা, সংস্কৃতিৰ বিষয়ে জ্ঞান দিয়া প্ৰয়োজন। ডিব্ৰুগড় সাহিত্য সভাৰ সম্পাদক ৰাতুল গোহাঁয়ে আঁত ধৰা কৰ্মশালা উদ্বোধনী অনুষ্ঠানত বিশিষ্ট কবি ভাৰতী বৰুৱাই বিহুৰ তাৎপৰ্য ব্যাখ্যা কৰে। প্ৰায় তিনিশতাধিক শিক্ষাৰ্থী উপস্থিত থকা এই কৰ্মশালাত বৰবিহুৱা, লোকবাদ্যৰ সাধক জিতেন দাস, বৰবিহুৱতী ৰুবী সন্দিকৈ, বিশিষ্ট অনাতাঁৰ শিল্পী ভুবন গগৈ, বিহুৱা হিৰকজ্যোতি শইকীয়া, বিহুৱা বিতুপন দাসকে প্ৰমুখ্য কৰি ডিব্ৰুগড় সাহিত্য সভাৰ সহকাৰী সম্পাদিকা মিনাক্ষী দাস বৰুৱা আৰু অন্যান্য বিষয়ববীয়াসকল উপস্থিত থাকে। উল্লেখ্য যে ডিব্ৰুগড় সাহিত্য সভাই অসমীয়া ভাষা, সংস্কৃতি সুৰক্ষাৰ বাবে আৰু নতুন প্ৰজন্মক ভাষা, সংস্কৃতিৰ জ্ঞান দিবলৈ নিৰন্তৰে বিভিন্ন কৰ্মশালা, আখৰা অনুষ্ঠিত কৰি আহিছে। আজি এই আখৰাথলীত অভিভাৱকসকলো উপস্থিত থাকে।




# প্ৰশাসনৰ নিষেধাজ্ঞা ঃ প্ৰজননৰ সময়ত প্ৰাকৃতিক জলাশয়ত ধৰিব নোৱাৰিব মাছ

ডিব্ৰুগড়, ৩ এপ্ৰিল ঃ অসম চৰকাৰৰ মীন নীতি, ... মিৰিকা, মালি, চিতল, পিঠিয়া, ঘৰীয়া আৰু কুচি ... মহলত ৭ বৰ্গ ছেণ্টিমিটাৰকৈ সৰু ফাঁকৰ অস্থাৰ

## আবৃত্তিয়ে মন পৰিশীলিত কৰে ঃ জলিয়ানা